**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-05-2024
**Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## *HEADLINES*

১। লোকসভা নিৰ্বাচনৰ সপ্তম পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযানৰ আজি অন্তিম দিন। আজি সন্ধিয়া ৫ বজাত নিৰ্বাচনী প্ৰচাৰৰ অন্ত পৰিব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজিৰেপৰা তিনিদিনীয়া কাৰ্যসূচীৰে কন্যাকুমাৰী ভ্ৰমণ কৰিব।

৩। দক্ষিণ-পশ্চিম মৌচুমী বতাহ কেৰালাত প্ৰৱেশ কৰাৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ বেছিভাগ এলেকাৰ দিশে অগ্ৰসৰ হৈছে বুলি ভাৰতীয় বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে।

আৰু

৪। থাইলেণ্ডৰ বেংককত চলি থকা বিশ্ব অলিম্পিক বক্সিং কোৱালিফায়াৰ প্ৰতিযোগিতাৰ পুৰুষৰ ৫৭ কিলোগ্ৰাম শাখাত ভাৰতৰ শচীন চিৱাছে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০০

লোকসভা নিৰ্বাচনৰ সপ্তম পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযানৰ আজি অন্তিম দিন। আজি সন্ধিয়া ৫ বজাত নিৰ্বাচনী প্ৰচাৰৰ অন্ত পৰিব। দেশৰ ৭ খন ৰাজ্য আৰু এখন কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৫৭ টা সমষ্টিত এই পৰ্যায়ত পহিলা জুনত ভোটগ্ৰহণ কৰা হ'ব। অন্তিম পৰ্যায়ত ভোটগ্ৰহণ হ'বলগীয়া উত্তৰ প্ৰদেশৰ বাৰাণসী সমষ্টিৰ পৰা বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। এই পৰ্যায়ত নিৰ্বাচন হ'বলগীয়া সমষ্টিসমূহত শাসক-বিৰোধী উভয় দলৰ ৰাজনৈতিক নেতাসকলে প্ৰচাৰ অব্যাহত ৰাখিছে।

আকাশবাণীৰ সংবাদদাতাই জনোৱা অনুসৰি প্ৰতিৰক্ষা মন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি নেতা ৰাজনাথ সিঙে আজি উত্তৰ প্ৰদেশৰ কুশীনগৰ, ৰবাৰ্টছগঞ্জ আৰু চান্দৌলী লোকসভা সমষ্টিত নিৰ্বাচনী প্ৰচাৰ চলাব।

একেদৰে মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী মোহন যাদৱে কুশীনগৰ আৰু ছোনভদ্ৰা সমষ্টিত ৰোড শ্ব'ত ভাগ ল'ব। ইপিনে, সমাজবাদী পাৰ্টীৰ মুৰব্বী অখিলেশ যাদৱে আজি মহাৰাজগঞ্জ আৰু ঘোছি সমষ্টিত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব।

ইপিনে, জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে আজি ঝাৰখণ্ডৰ ডুমকাত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰাৰ কথা। ৰাজ্যখনৰ বিজেপিৰ মুৰব্বী বাবুলাল মুৰাণ্ডিয়ে গোদ্দা আৰু চাহিবগঞ্জত, আৰু মুখ্যমন্ত্ৰী চম্পাই চোৰেণে গোদ্দা, ডুমকা আৰু চাহিবগঞ্জত নিৰ্বাচনী সভাত ভাগ ল'ব।

প্ৰধানমন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি নেতা নৰেন্দ্ৰ মোডীয়ে কালি ওড়িশাত নিৰ্বাচনী প্ৰচাৰ চলায়। শ্ৰীমোডীয়ে ময়ুৰগঞ্জ লোকসভা সমষ্টিৰ বড়ীপদাত, বালাছোৰ লোকসভা সমষ্টিৰ ৰেমু নাথ আৰু কেন্দ্ৰপাৰা লোকসভা সমষ্টিৰ বাৰুৱাত তিনিখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে পশ্চিম বংগ, ঝাৰখণ্ড আৰু ওড়িশাৰ ভোটদাতাসকলৰ আনন্দ আৰু উৎসাহ প্ৰত্যক্ষ কৰি তেওঁ কেন্দ্ৰত তৃতীয়বাৰৰ বাবে এখন মজবুত মোডী চৰকাৰ গঠন হ'ব বুলি নিশ্চিত হৈছে।

উত্তৰ প্ৰদেশতো নিৰ্বাচন হ'বলগীয়া সমষ্টিসমূহত প্ৰচাৰ অভিযান অব্যাহত আছে। জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে কালি ৰাজ্যখনত ৪খন নিৰ্বাচনী প্ৰচাৰ সভা আৰু এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে।

কংগ্ৰেছৰ অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গেই কালি বালাছোৰত এখন জনসভা সম্বোধন কৰে।

ইপিনে, উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে কালি কুশীনগৰত এখন নিৰ্বাচনী সভাত ভাষণ দি কয় যে কেৱল মাত্ৰ বিজেপিহে দেশৰ সীমান্তক সুৰক্ষিত কৰিবলৈ সক্ষম। তেওঁ পাছত দেওৰীয়াতো নিৰ্বাচনী প্ৰচাৰ চলায় আৰু গোড়খপুৰত এটা মেগা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে।

বিহাৰতো নিৰ্বাচন হ'বলগীয়া ৮টা লোকসভা সমষ্টিত প্ৰচাৰ অভিযান অব্যাহত আছে। বিহাৰ বিজেপিৰ অধ্যক্ষ তথা ৰাজ্যখনৰ উপ-মুখ্যমন্ত্ৰী সম্ৰাট চৌধাৰীয়ে কালি পাতলিপুত্ৰ সংসদীয় সমষ্টিৰ দীঘাত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। নেতাগৰাকীয়ে নালন্দা, জেহানাবাদ আৰু কাৰাকাট সংসদীয় সমষ্টিতো প্ৰচাৰ সভাত ভাগ লয়। আৰ জে ডিৰ মুৰব্বী লালু প্ৰসাদেও পাতলিপুত্ৰ সমষ্টিৰ বিভিন্ন অঞ্চলত নিৰ্বাচনী প্ৰচাৰ চলায়। সমষ্টিটোৰ ফুলৱাৰী শ্বৰিফত এখন জনসভাত সম্বোধন কৰি দলটোৰ নেতা তেজস্বী প্ৰসাদ যাদৱে নিৰ্বাচনত আই এন ডি আই মিত্ৰজোঁটে ৩০০খনতকৈ অধিক আসন লাভ কৰিব বুলি দাবী কৰে।

00000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজিৰেপৰা তিনিদিনীয়া কাৰ্যসূচীৰে কন্যাকুমাৰী ভ্ৰমণ কৰিব। আজি বিয়লি তেওঁ ত্ৰিবান্দ্ৰমৰ পৰা কন্যাকুমাৰীত উপস্থিত হৈ ভগৱতী মন্দিৰ দৰ্শন কৰিব। ইয়াৰ পাছত প্ৰধানমন্ত্ৰীয়ে এম এল বিবেকানন্দ জাহাজেৰে স্বামী বিবেকানন্দ মেম'ৰিয়েললৈ যাব। তাত তিনিদিন ধ্যান কৰাৰ পাছত তেওঁ পহিলা জুনত থিৰুভাল্লুভাৰ প্ৰতিমূৰ্তিও দৰ্শন কৰিব। একেদিনাই প্ৰধানমন্ত্ৰী মোদী বিশেষ বিমানযোগে ত্ৰিবান্দ্ৰমলৈ ঘূৰি আহিব।

0000000

আজি হিন্দী সাংবাদিকতা দিৱস। ১৮২৬ চনৰ ৩০ মে'ত পণ্ডিত যুগল কিশোৰ শুক্লাই প্ৰকাশ কৰি উলিওৱা প্ৰথম হিন্দী বাতৰি কাকত 'উদান্ত মাৰ্তণ্ড'-ৰ জৰিয়তে হিন্দী সাংবাদিকতাৰ যাত্ৰা আৰম্ভ হৈছিল। সততা আৰু সাহসেৰে জনকল্যাণৰ উদ্দেশ্যে কাম কৰা হিন্দী সাংবিদকতাৰ যাত্ৰা আৰম্ভ হৈছিল। সততা আৰু সাহসেৰে জনকল্যাণৰ উদ্দেশ্যে কাম কৰা হিন্দী সাংবাদিকসকলৰ বিশেষ অৱদানৰ বাবে হিন্দী সাংবাদিকতা দিৱসৰ দিনটো উৎসৰ্গিত। হিন্দী বাতৰি কাকত 'উদান্ত মাৰ্তণ্ড' ভাৰতৰ সাংবাদিকতাৰ ইতিহাসত এটা মাইলৰ খুটি আছিল। ই ভাৰতীয় সাংবাদিকতাৰ নতুন যুগৰ আৰম্ভণিৰ প্ৰতিনিধিত্ব কৰাৰ লগতে দেশৰ সমাজ আৰু সংস্কৃতিক প্ৰভাৱিত কৰিছিল। 'উদান্ত মাৰ্তণ্ড'-ৰ যুগতে ভাৰতৰ সংবাদক্ষেত্ৰখনত ভালেসংখ্যক গুৰুত্বপূৰ্ণ প্ৰকাশনৰ লগতে বহুতো নতুন সাংবাদিক এইক্ষেত্ৰখনত প্ৰৱেশ কৰিছিল। যাৰ ফলত সাংবাদিকতাৰ বিষয়ে জনসাধাৰণৰ সজাগতা বৃদ্ধি হৈছিল আৰু নাগৰিকসকলক সঠিক তথ্য প্ৰদান কৰাত হিন্দী বাতৰি কাকতৰ গুৰুত্ব বৃদ্ধি পাইছিল।

0000000

দক্ষিণ-পশ্চিম মৌচুমী বতাহ কেৰালাত প্ৰৱেশ কৰাৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ বেছিভাগ এলেকাৰ দিশে অগ্ৰসৰ হৈছে বুলি ভাৰতীয় বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে স্বাভাৱিকতে ১ জুনত প্ৰতিবছৰে কেৰালাত মৌচুমী বায়ুৱে প্ৰৱেশ কৰাৰ দুদিন পূৰ্বে এইবাৰ ৰাজ্যখনত মৌচুমীৰ আগমন ঘটে। আকাশবাণীৰ সৈতে হোৱা কথা-বতৰাত ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ সঞ্চালকপ্ৰধান মৃত্যুঞ্জয় মহাপাত্ৰই কয় যে দক্ষিণ ভাৰতৰ কৰ্ণাটক, তামিলনাডু আৰু পুডুচেৰীতো অহা দুই-তিনিদিনত মৌচুমী বায়ুৱে প্ৰৱেশ কৰিব। উত্তৰ-পূৰ্বাঞ্চলৰ লগতে হিমালয়ৰ পাদদেশৰ পশ্চিমবংগ আৰু ছিকিমৰ সকলো অঞ্চলতে মৌচুমী বায়ু প্ৰৱেশ কৰিব বুলিও তেওঁ প্ৰকাশ কৰে। ইপিনে, ড° মহাপাত্ৰই দক্ষিণ পশ্চিম মৌচুমী বায়ুৰ প্ৰভাৱত হোৱা গাজনি-ঢেৰেকণি আৰু বৰষুণৰ বাবে উত্তৰ-পশ্চিম ভাৰতত গ্ৰীষ্ম প্ৰৱাহৰ মাত্ৰা হ্ৰাস পাব বুলিও কয়।

0000000

আকাশবাণী গুৱাহাটী আঞ্চলিক বাতৰি বিভাগে অহা ৪ জুনত লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ দিনা **জনাদেশ-২০২৪** শীৰ্ষক দিনজোৰা অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত কেইবাগৰাকীও বিশ্লেষক আৰু সমল ব্যক্তিৰ উপস্থিতত ভোটগণনাৰ শেহতীয়া তথ্য সম্পৰ্কে আলোচনা কৰাৰ লগতে দেশ আৰু ৰাজ্যৰ বিভিন্ন সমষ্টিৰ পৰা আকাশবাণীৰ সংবাদদাতাৰ সৈতে সংযোগ স্থাপন কৰি পোনপটীয়াকৈ ভোটগণনাৰ শেহতীয়া তথ্য প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটো পুৱা ৯ বাজি ১৫ মিনিটৰ পৰা অব্যাহত থাকিব। এই অনুষ্ঠানটো NEWS ON AIR এপ, আমাৰ ইউটিউব চেনেল AIR NEWS GUWAHATI আৰু X হেণ্ডেল @AIRNEWS_GHY যোগে পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব।

০০০০০০০০০

জম্মু-কাশ্মীৰত গ্ৰীষ্ম প্ৰবাহৰ প্ৰতি লক্ষ্য ৰাখি জম্মুৰ জিলা দণ্ডাধীশে দিনৰ ১২ বজাৰ পৰা ৩ বজাৰ ভিতৰত জীৱ-জন্তুসমূহক  বোজা কঢ়িওৱা আৰু সামগ্ৰী টনা কামত নিয়োগ কৰাৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰিছে। আকাশবাণীৰ জম্মুৰ সংবাদদাতাই জনোৱা মতে, জীৱ-জন্তুৰ প্ৰতি নিষ্ঠুৰতা প্ৰতিৰোধ আইন, ১৯৬০ আৰু ১৯৬৫ অনুসৰি এনে নিষেধাজ্ঞা জাৰি কৰা হৈছে। প্ৰতি বছৰে জীৱ-জন্তুৰ প্ৰতি নিষ্ঠুৰতা কম কৰাৰ লগতে সিহঁতৰ আঘাত আৰু মৃত্যুৰ হাৰ হ্ৰাস কৰাৰ বাবে এনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰি অহা হৈছে। তাপমান ৩৭ ডিগ্ৰী ছেণ্টিগ্ৰেডতকৈ বৃদ্ধি পালে এই আইনৰ অধীনত তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ ব্যৱস্থা গ্ৰহণ কৰিব পৰা যায়। এই নিৰ্দেশ অহা দুমাহৰ বাবে নাইবা পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত বাহাল থাকিব। এই আইন অনুসৰি কোনো লোকে যিকোনো জীৱ-জন্তুকে বাহন টনা বা বোজা কঢ়িওৱাৰ বাবে এদিনত ৯ ঘণ্টাতকৈ অধিক বা জিৰণি নোহোৱাকৈ একেৰাহে ৫ ঘণ্টাতকৈ অধিক সময়ৰ বাবে কামত লগাব নোৱাৰিব।

০০০০০০০

ইজৰাইল সুৰক্ষা বাহিনীয়ে গাজাত গাজা-ইজিপ্ত সীমান্তৰ সম্পূৰ্ণ পথছোৱাৰ পৰিচালনা নিজৰ নিয়ন্ত্ৰণলৈ নিছে। এই পথছোৱাত ফিলা ডেলফি এলেকা হিচাপে জনা যায়। ইজৰাইল সুৰক্ষা বাহিনীৰ মুখপাত্ৰ ৰিয়েৰ এডমিৰেল ডেনিয়েল হাগেৰীয়ে জনোৱা অনুসৰি নতুনকৈ অধিকৃত পথছোৱা গাজা-ইজিপ্ত সীমান্তৰ ১৪ কিলোমিটাৰ এলেকা জুৰি আছে। অস্ত্ৰ-শস্ত্ৰৰ চোৰাং কাৰবাৰৰ বাবে এই পথছোৱা হামাচৰ বাবে অতি গুৰুত্বপূৰ্ণ আছিল। সীমান্তত ভালেমান ৰকেট লাঞ্চাৰো পোৱা গৈছে। এডমিৰেল হাগেৰীয়ে জনোৱা অনুসৰি সুৰক্ষা বাহিনীয়ে সেই অঞ্চলত থকা ২০ টা সুৰংগৰ বিষয়েও অৱগত হৈছে। এই সুৰংগসমূহ সীমান্তৰ সিপাৰে চোৰাং সামগ্ৰী সৰবৰাহৰ বাবে ব্যৱহাৰ কৰা হৈছিল বুলি আশংকা কৰা হৈছে।

০০০০০০০

থাইলেণ্ডৰ বেংককত চলি থকা বিশ্ব অলিম্পিক বক্সিং কোৱালিফায়াৰ প্ৰতিযোগিতাৰ পুৰুষৰ ৫৭ কিলোগ্ৰাম শাখাত ভাৰতৰ শচীন চিৱাছে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। তেওঁ তুৰস্কৰ প্ৰতিদ্বন্দ্বীক ৫-০ৰ ব্যৱধানত পৰাস্ত কৰি বিজয় সাব্যস্ত কৰে। আৰু দুখন খেলত জয়লাভ কৰিব পাৰিলেই চিৱাছে পেৰিছ অলিম্পিকৰ বাবে যোগ্যতা অৰ্জন কৰিব।

ইপিনে, ভাৰতৰ অংকুশিতা বড়ো ইতিমধ্যে প্ৰতিযোগিতাৰ মহিলাৰ ৬০ কিলোগ্ৰাম ওজন শাখাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। খেলুৱৈগৰাকীয়ে কালি কাজাখস্তানৰ প্ৰতিদ্বন্দ্বীক ৮-১ ফলাফলত পৰাস্ত কৰে। প্ৰতিযোগিতাত পুৰুষৰ ৭১ কিলোগ্ৰাম ওজন শাখাত ভাৰতৰ নিশান্ত দেৱেও থাইলেণ্ডৰ প্ৰতিদ্বন্দ্বীক ৫-০ ফলাফলত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে। একেদৰে ভাৰতৰ অৰুন্ধতী চৌধাৰীয়েও মহিলাৰ ৬৬ কিলোগ্ৰামৰ ওজন শাখাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। অৱশ্যে ৯২ কিলোগ্ৰামতকৈ অধিক ওজন শাখাত ভাৰতৰ নৰেন্দৰ বেৰৱাল পৰাজিত হৈছে।

০০০০০০

ভাৰতৰ তাৰকা খেলুৱৈ পি ভি সিন্ধু ছিংগাপুৰ অ'পেন বি ডব্লিউ এফ ছুপাৰ ছেভেন ফিফটি বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ দ্বিতীয় ৰাউণ্ডলৈ অগ্ৰসৰ হৈছে। প্ৰথম ৰাউণ্ডৰ খেলত সিন্ধুৱে বিশ্বক্ৰমৰ ২১ নম্বৰ স্থানৰ লিনে

জায়েৰ্চফেল্ডট্ক ২১-১২, ২২-২০ গেমত পৰাস্ত কৰে। অৱশ্যে পুৰুষৰ ছিংগলছৰ প্ৰথম ৰাউণ্ডত লক্ষ্য সেন আৰু কিদাম্বি শ্ৰীকান্ত পৰাস্ত হয়। লক্ষ্য সেনৰ বিৰুদ্ধে বিশ্বৰ শীৰ্ষ স্থানৰ খেলুৱৈ আৰু সাম্প্ৰতিক অলিম্পিক চেম্পিয়ন ভিক্টৰ এক্সেলচেনে ১৩-২১, ২১-১৬, ১৩-২১ গেমত বিজয় সাব্যস্ত কৰে। এয়া হ'ল দুয়োগৰাকী খেলুৱৈৰ মাজত হোৱা শেহতীয়া ৮খন খেলত ভাৰতীয় খেলুৱৈগৰাকীৰ সপ্তমটো পৰাজয়।

ইয়াৰ আগেয়ে বিশ্বক্ৰমৰ প্ৰাক্তন শীৰ্ষস্থানৰ খেলুৱৈ কিদাম্বি শ্ৰীকান্তে জাপানৰ কোডাই নাৰাওকাৰ বিৰুদ্ধে প্ৰথম ৰাউণ্ডৰ খেলৰ পৰা আঘাতৰ বাবে মাজতে আঁতৰি আহিবলগীয়া হয়।

০০০০০০০

**সমাপ্ত**